# ঈশ্বৰ

## অসমীয়া

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। ঈশ্বৰ কবিতাটিৰ মূল কথাখিনি তা◌েমাৰ নিজৰ কথাৰে লিখা ।**

**উত্তৰঃ** ঈশ্বৰ অনাদি , অনন্ত । জড় – জীৱ সকলা◌েতে তেওঁ বিৰাজমান । এই বিনন্দীয়া ধৰাখন তেওঁৰেই সৃষ্টি । গছ – লতা , জোন – বেলি , তৰা, গ্ৰহ – নক্ষত্ৰ তেঁৱেই যেন গঢ়িছে । আনকি চৰাই – চিৰিকটি , আমাৰ পিতা – মাতা , ভাই ভনী সকলা◌েকে তেৱেঁই প্ৰব্ৰজন কৰিছে । সেই হেতুকে সকলা◌ে প্ৰাণীয়ে ভগৱানৰ গুণ – গান গায় । ঈশ্বৰ সকলা◌েতে আছে । কেৱল আমি তেওঁক নেদেখো । শেষত কবিয়ে কৈছে যে য'তেই তেওঁ আছে তাৰে পৰাই যেন আমাক দয়া কৰে।

**প্ৰশ্ন ২। তলত দিয়া শব্দবা◌েৰ যথাস্থানত বহুৱাই কবিতাফাঁকিৰ খালী ঠাই পূৰ কৰা—**

( ক ) ভাই – ভনী , পিতা ___তুমিয়েই হেনা◌ে

সকলা◌েকে কৰিছা ____

তা◌েমাৰ ____ পক্ষী গছৰ ডালত

গান গাই হইছে ____ ।

( স্ৰজন , মগন , মাতা , আদেশে )

**উত্তৰঃ** ভাই , ভনী , পিতা – মাতা তুমিয়েই হেননা

সকলা◌েকে কৰিছা স্ৰজন ,

তা◌েমাৰ আদেশে পক্ষী। গছৰ ডালত

গান গাই হইছে মগন ।

**প্ৰশ্ন ৩। তলৰ কথাফাঁকি নিজৰ ভাষাত বহলাই লিখা—**

( ক )    “ সকলােতে থাকা তুমি    সকলােকে শুনা

দেখিছা চকুৰে সকলােটি ,

য’তে থাকা প্ৰভু মােক    দয়া যেন কৰা

এয়ে মােৰ সৰল মিনতি । ”

**উত্তৰঃ** হে ঈশ্বৰ , তুমি সকলােতে আছা , সকলাে কথাই তুমি শুনি আছা, চকুৰে সকলাে দেখি আছা । তুমি য’তেই নাথাকা কিয় প্ৰভু , তুমি যেন মােক দয়া কৰা ; – এয়ে তােমাৰ ওচৰত মােৰ সৰল মিনতি ।

**প্ৰশ্ন ৪। অতি চমু উত্তৰ দিয়া –**

( ক ) ঈশ্বৰ ক’ত থাকে ?

**উত্তৰঃ** ঈশ্বৰ সকলােতে আছে ।

( খ ) কবিয়ে ঈশ্বৰক দেখা পাইছেনে ?

**উত্তৰঃ** পােৱা নাই ।

( গ ) ঈশ্বৰ থকা কথাটি কবিয়ে কেতিয়া জানে বুলি কৈছে ?

**উত্তৰঃ** বেয়া এটি কৰিব খােজা সময়ত ।

( ঘ ) কবিয়ে শেষত ভগৱানৰ পৰা কি বিচাৰিছে ?

**উত্তৰঃ** দয়া বিচাৰিছে ।

**প্ৰশ্ন ৫। চমুকৈ লিখা –**

**( ক ) ভগৱান ক'ত ক'ত আছে বুলি কবিয়ে কৈছে ?**

**উত্তৰঃ** কবিৰ মতে ভগৱান সকলােতে আছে । এই বিনন্দীয়া ধৰাখন তেওঁৰেই সৃষ্টি । গছ – লতা , জোন – বেলি , তৰা , গ্ৰহ – নক্ষত্ৰ , নৈ – নিজৰা , পাহাৰ পৰ্বত , চৰাই – চিৰিকটি , মানুহকে ধৰি জীৱ – জড় সকলাে ভগৱানেই সৃষ্টি কৰিছে আৰু এই সকলােতে তেওঁ আছে ।

**( খ ) কবিয়ে পােৱা সুখবােৰ কাৰ দান বুলি ভাবিছে ?**

**উত্তৰঃ** কবিয়ে যিবােৰ সুখৰ বস্তু পাইছে , সেই সকলােবােৰ ঈশ্বৰৰ দান বুলি ভাবিছে ।

**( গ ) সকলাে প্ৰাণীকে কাৰ গুণগান গাবলৈ কৈছে আৰু কিয় কৈছে ?**

**উত্তৰঃ** কবিয়ে সকলাে প্ৰাণীকে ঈশ্বৰৰ গুণ – গান গাবলৈ কৈছে । সকলাে প্ৰাণীকে ঈশ্বৰে সৃষ্টি কৰিছে , সেইবােৰক খাদ্য দিছে , থকা ঠাই দিছে , মনত সুখ আনন্দ দিছে । গতিকে , তেনেকুৱা কৰুণাময় ঈশ্বৰৰ গুণ – গান গাবলৈ কবিয়ে সকলাে প্ৰাণীকে কৈছে ।

**( ঘ ) তুমি ঈশ্বৰক দেখিছানে ? নাই দেখা যদি ঈশ্বৰ আছে বুলি কেনেদৰে ভাবিব পাৰা ?**

**উত্তৰঃ** নাই দেখা । চকুৰে নেদেখিলেও এই বিশ্বজগত খনলৈ চকু দিলেই ঈশ্বৰ আছে বুলি ভাবিব পাৰি । এই বিনন্দীয়া ধৰাখন , জোন – বেলি , তৰা , গ্ৰহ নক্ষত্ৰ , গছ – লতা , নৈ – নিজৰা , পাহাৰ – পৰ্বতকে ধৰি য'ত মানে আছে , এইবােৰ নিজে নিজে সৃষ্টি হােৱা নাই , মানুহেও সৃষ্টি কৰা নাই । কোনােবা অদৃশ্য শক্তিয়ে এইবােৰ সৃষ্টি কৰাৰ লগতে নিয়ন্ত্ৰণ কৰি আছে আৰু সেই অদৃশ্য শক্তিকে ঈশ্বৰ বুলি ভাবাে ।

**প্ৰশ্ন ৬। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা –**

( ক ) বিনন্দীয়া ধৰাখনি তােমাৰ ইচ্ছাতে

আৰু বিনন্দীয়া হক ,

তুমি আছা বুলি যেন সকলাে প্ৰাণীয়ে

তোমাৰেই গুণ-গান গ’ক ।

**উত্তৰঃ** কবিতাফাঁকি ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাদেৱে ৰচনা কৰা আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট ‘ ঈশ্বৰ ’ নামৰ কবিতাটিৰ পৰা উদ্ধৃত কৰা হৈছে ।

কবিতাফাঁকিত ঈশ্বৰৰ মহিমাৰ কথাৰ লগতে কবিৰ ঈশ্বৰৰ প্ৰতি থকা শ্ৰদ্ধাভক্তি প্ৰকাশ পাইছে।

এই বিনন্দীয়া ধৰাখনি ঈশ্বৰেই সৃষ্টি কৰিছে । গছ – লতা , ফল – ফুল , নৈ – নিজৰা , চৰাই – চিৰিকটি আদিৰে ভৰপুৰ বিনন্দীয়া এই ধৰাখনিৰ মনোমোহা সৌন্দৰ্যই আমাক সকলোকে আপ্লুত কৰে । সৌন্দৰ্য – পিয়াসী কবিয়ে সৃষ্টিকৰ্তা ঈশ্বৰৰ ইচ্ছাতে ধৰাখনি আৰু অধিক বিনন্দীয়া আৰু সৌন্দৰ্যময় হোৱাটো কামনা কৰিছে । লগতে কবিয়ে সকল প্ৰাণীয়ে ঈশ্বৰৰ গুণ – গান গোৱাটোও একান্তমনে বিচাৰিছে। সকলো প্ৰাণীৰ সৃষ্টিকৰ্তা যিহেতু ঈশ্বৰেই , সেয়েহে সকলো প্ৰাণীয়ে সেই সৃষ্টিকৰ্তাৰ গুণ – গান গাব লাগে ।

( খ ) বেয়া এটি কেতিয়াবা কৰিব খুজিলে

তুমি থকা কথা যেন জানো ,

কৰিলেই কিবা এটি তুমি দিয়া বাধা

আমি যেন সকলোৰে শুনো ।

**উত্তৰঃ** কবিতাফাঁকি ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাদেৱে ৰচনা কৰা আমাৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত ‘ ঈশ্বৰ ’ নামৰ কবিতাটিৰ পৰা উদ্ধৃত কৰা হৈছে ।

মংগলময় ঈশ্বৰে মানুহে সদায় যে ভাল কাম কৰাটোকে বিচাৰে , তাকেই কবিতাফাঁকিত প্ৰকাশ পাইছে ।

আমি ভাল কাম যিদৰে কৰোঁ , সেইদৰে বেয়া কামো কৰিব পাৰো । কিন্তু ঈশ্বৰে আমি সদায় ভাল কাম কৰাটোহে বিচাৰে । ভাল কাম কৰা মানুহৰ লগত ঈশ্বৰ সদায় থাকে । কিন্তু বেয়া কাম কৰিব খোজা বা বেয়া কাম কৰা মানুহক ঈশ্বৰে বাধা প্ৰদান কৰে । পৰম ঈশ্বৰ বিশ্বাসী কবিৰ কিবা এটি বেয়া কৰিব খুজিলেই ঈশ্বৰৰ কথা মনলৈ আহে । তেওঁৰ ধাৰণা , বেয়া কাম কৰিলে ঈশ্বৰে বাধা প্ৰদান কৰে আৰু সেইটো আমি সকলোৰে যেন শুনিবলৈ পাওঁ । সকলো মানুহে ঈশ্বৰত বিশ্বাস ৰাখি ভাল কাম কৰাটোকে কবিয়ে বিচাৰিছে ।

**প্ৰশ্ন ৭। ঈশ্বৰে সৃষ্টি কৰা এই বিনন্দীয়া ধৰাৰ সৌন্দৰ্য কবিতাটিত কিদৰে বৰ্ণনা কৰা হৈছে ?**

**উত্তৰঃ** বিনন্দীয়া এই ধৰাখনি সৌন্দৰ্যৰে ভৰি আছে। জোন – বেলি তৰাবাোৰে এই ধৰাৰ বুকুত পাোহৰ বিলায় । হাবি-বননি , গছ – লতিকাৰে পূৰ্ণ চিৰ সেউজ , ধৰাখনি সদায় ফুল – ফলেৰে জাতিষ্কাৰ হৈ থাকে । ৰং মনেৰে গছৰ ডালে পাতে জঁপিয়াই ফুৰে নানা জাতৰ নানা বনৰীয়া চৰাই । চৰাইবাোৰে ফুললিত সুৰত গাোৱা গীতে আমাৰ হিয়া জুৰ পেলায় । কবিতাটিত বিনন্দীয়া ধৰাৰ সৌন্দৰ্য এনেদৰে বৰ্ণনা কৰা হৈছে ।

**প্ৰশ্ন ৮। শব্দাৰ্থ লিখা –**

কৰম , মগন , বিনন্দীয়া , সুজন , ধৰা , গ’ক , হ’ক , সুমংগলময় ।

**উত্তৰঃ** কৰম – কৰ্ম ।

মগন – মগ্ন ।

বিনন্দীয়া – আনন্দময় ।

স্ৰজন – সৃষ্টি ।

ধৰা – পৃথিবী , জগত ।

গ’ক – গাওক ।

হ’ক – হওঁক ।

সুমংগলময় – কল্যাণময় ।

প্ৰশ্ন ৯। তৎসম , অৰ্ধতৎসম , আৰু তদ্ভৱ শব্দ কাক বাোলে ? একোটি উদাহৰণ সহ লিখা ।

**উত্তৰঃ তৎসম শব্দ :-** যিবাোৰ শব্দ সংস্কৃতৰ পৰা পাোনে পাোনে আহি অসমীয়া ভাষাত ব্যৱহৃত হৈছে , তেনেবাোৰ শব্দক তৎসম শব্দ বুলি কোৱা হয় । যেনে কৰ্ম ।

**অৰ্ধতৎসম শব্দ :-** যিবোৰ শব্দ সংস্কৃত মূলৰ পৰা আহোতে কিছু সলনি হৈ অসমীয়া ভাষাত ব্যৱহাৰ হৈছে তেনে শব্দবোৰক অৰ্ধতৎসম শব্দ বুলি কোৱা হয় । যেনে – কৰম ।

**তদ্ভৱ শব্দ :-** যিবোৰ শব্দ মূলৰ পৰা আহোতে সম্পূৰ্ণ ৰূপ সলনি হৈ বা অপভ্ৰংশ হৈ অসমীয়া ভাষাত ব্যৱহাৰ হৈছে তেনেবোৰ শব্দক তদ্ভৱ শব্দ বুলি কোৱা হয় । যেনে – কাম ।

**প্ৰশ্ন ১০। ‘ সুমংগলময় ’ আৰু ‘ বিনন্দীয়া ’ শব্দ দুটিৰ এটাকৈ সমাৰ্থক শব্দ লিখা ।**

**উত্তৰঃ** সুমংগলময় – কল্যাণময় ।

বিনন্দীয়া – আনন্দময় ।

**প্ৰশ্ন ১১। বিপৰীত শব্দ লিখা –**

শেষ , স্ৰজন , সুখ , দয়া , দিন ।

**উত্তৰঃ** শেষ – আদি , প্ৰথম ।

স্ৰজন – ধ্বংস , বিনাশ ।

সুখ – দুখ ।

দয়া – ঘৃণা ।

দিন – ৰাতি ।

**প্ৰশ্ন ১২। বাক্য ৰচনা কৰা –**

দিন-ৰাতি , ভাই-ভনী , বিনন্দীয়া , গুণ – গান , মিনতি ।

**উত্তৰঃ দিন-ৰাতি :-** মাধৱে ভনীয়েকৰ বিয়াৰ নামত দিন – ৰাতি একাকাৰ কৰি ঘূৰি ফুৰিছে ।

**ভাই – ভনী :-** সিহঁতৰ চাৰি গৰাকী ভাই – ভনীৰ ভিতৰত অকল অকণহে পঢ়া শুনাত ভাল ।

**বিনন্দীয়া :-** আমাৰ এই বিনন্দীয়া ধৰাখন ঈশ্বৰে স্ৰজন কৰিছে ।

**গুণ – গান :-** ধাৰ্মিক মানুহে সদায় ভগৱানৰ গুণ – গান কৰে।

**মিনতি :-** বিষয়াজনৰ ওচৰত ইমান মিনতি জনাোৱাৰ পিছতাে তেওঁ মাোৰ কামটো নকৰিলে ।

**প্ৰশ্ন ১৩। তৎসম শব্দ লিখা –**

ধৰম , কৰম , মগন , চেনেহ , মৰত , জনম

**উত্তৰঃ** ধৰম – ধৰ্ম ।

কৰম – কৰ্ম ।

মগন – মুগ্ন ।

চেনেহ – স্নেহ ।

মৰত – মৰ্ত ।

জনম – জন্ম ।

**প্ৰশ্ন ১৪। তলৰ শব্দবাোৰৰ পৰা তৎসম , অৰ্ধতৎসম , তদ্ভৱ শব্দবাোৰ বাছি উলিওৱা –**

সূৰ্য্য , পৰাণ , হস্ত , পদ্ম , প্ৰাণ , বেলি , সূৰুয , হাত

**উত্তৰঃ** তৎসম শব্দ – সূৰ্য , হস্ত , পদ্ম , প্ৰাণ ।

অৰ্ধত্যৎসম শব্দ – পৰাণ , সূৰুয ।

তদ্ভৱ শব্দ — বেলি , হাত ।

**প্ৰশ্ন ১৫। শব্দাৰ্থ লিখা-**

কৰম মগন , বিনন্দীয়া , স্ৰজন , ধৰা ।

**উত্তৰঃ** কৰম – কৰ্ম ।

মগন – মগ্ন ।

বিনন্দীয়া – আনন্দময় ।

স্ৰজন – সৃষ্টি ।

ধৰা – জগত , পৃথিৱী ।